ৰুৰা গল্প
আৰু কবিতা
শ্রীপূর্ণচন্দ্র গোস্বামী

বাটৰুৱা গল্প আৰু কবিতা

18 JUL 1959
GAUHATI

শ্ৰীপূৰ্ণচন্দ্ৰ গোস্বামী

প্ৰকাশক
শ্ৰীপূৰ্ণচন্দ্ৰ গোস্বামী
জ্যোতি প্ৰকাশ
গুৱাহাটি, অসম

মূল্য বাৰ অনা

৬৩নং বিডন ষ্ট্ৰীট, কলিকতা
এলম্ প্ৰেছত
শ্ৰীদেৱপ্ৰসাদ মিত্ৰ দ্বাৰা
ছপা হ'ল।

বাটৰুৱা গল্প আৰু কবিতাৰ
—আগ কথা—

গল্প আৰু কবিতাবোৰে বাট বুলি ফুৰে—ফুৰে তাৰ লিখক জনহে। পৰা ডিব্ৰুগড়ৰ গুৱাহাটিলৈ মাকোটিৰ দৰে অহা যোৱা কৰোতে কৰবাত অলপ আজৰি পাই লিখি থোৱা গল্প-কবিতা কেটামান এই দৰে ৰাইজৰ আগলৈ ডাঙ্গি ধৰিবৰ হেপাহে এই নাম আবিষ্কাৰ কৰিলে।

সৰহীয়াকৈ কিছুমান গল্প কবিতা একেলগে ছপাই কিতাপৰ দাম বঢ়োৱাতকৈ এইদৰে অকনমাণি কৰিলে ৰাইজৰ আদৰ পাব পাৰে বুলি ইয়াক সৰু কৰা হল।

এই গল্প আৰু কবিতা কেটা প্ৰাপ্ত বয়স্কৰ কাৰণে লিখিত। মই আগতেও কৈছো আৰু সেইদৰেই লিখা-বোৰো প্ৰকাশ কৰো—সৰু মাইনাহতৰ কাৰণে সাধু, চেমনীয়া হতৰ বাবে উপাখ্যান আৰু ডাঙৰৰ কাৰণে গল্প।

ৰাইজে দোঁষ বাদ দি গুণ যদি কিবা আছে গ্ৰহণ কৰিলে সাৰ্থক মানিম।

বিনীত—
শ্ৰীপূৰ্ণচন্দ্ৰ গোস্বামী
২৬।৫।৫৮

THE NABIN BARDOLAI HALL & LIBRARY
13 JUL 1959

বাটৰুৱা গল্প আৰু কবিতা

গৰম-পানীৰ ভুত

ৰাজহুৱা কামত বাটে ঘাটে ঘুৰি ফুৰোতে সেই ৰাতি বৰপথাৰৰ পৰা নামবৰ ৰিজাৰ্ভৰ মাজে গৰম-পানীৰ কাষেদি আহিব লগা হল।

ৰাতি প্ৰায় দুটা বাজিছে। আমি বৰপথাৰ এৰিলো মটৰ যোগে। ধনশিৰিৰ দলঙখন পাৰ হৈ অলপ আহি বৰপথাৰৰ ডাকবঙলা পালো—তাৰ পাছত শোভনেশ্বৰী বাগান—তাৰ পাছতে সোমাই পৰিলো নামবৰ ৰিজাৰ্ভত। ৰাতি এই ৰিজাৰ্ভৰ মাজতে প্ৰায়ে হাতী বাঘ ভালুক আদি ওলায়। আমি গাড়ীত চাৰিজন বন্ধু—প্ৰত্যেকৰে পেটে-পেটে ভয়—মুখেৰে সকলোৱে সকলোকে সাহ দিয়ে। কিছুদূৰ আহি পালো এটা মলুৱা বাঘ। মটৰৰ লাইট পৰাত চকুদুটা মুদি বনৰাজ থম থমকৈ আলিৰ কাষতে বহি ৰল—আমি গুচি আহিলো আগে দিয়েই। তাৰ

পাছত পালো গৰম-পানী। এই ঠাই ডখৰৰ নাম গৰম পানী – যিহেতু ইয়াত এটা গৰম পানীৰ উহ আছে। পানী সদায় গৰম থাকে আৰু তলৰ পৰা উতলি থকাৰ দৰে উতলি পানী বকবকাই ওলায় থাকে। ঠাইডখৰ মনোৰম। এটা ডাক বঙ্গলাও আছে। বহুত দূৰৰ পৰা যাত্ৰী যায়। গৰম পানীত গা ধুই খহু-কাৰুৰ হাত সাৰে, পিকনিক খায় আৰু অতিথিশালাৰ বেৰ বোৰত নামধামো কোনোৱে লিখি থয়। আমি আগ বাঢ়িলো।

বতৰ ডাৱৰীয়া। শেষৰাতি জোনাক। জাৰ কালি। গৰম পানী পাৰহৈ এক নিশ্বাস এৰা হল—আৰু কেইমাইল-মান গলেই নামবৰ ৰিজাৰ্ভৰ পৰা ওলাই ভাল ঠাই পাম-- অন্ততঃ বনৰীয়া জন্তুৰ পৰা নিৰ্ভয়।

ধনশিৰি খনৰ দাতিয়ে দাতিয়ে আমি আহি আছো। এনেতে এজন বন্ধুয়ে কন্দাৰ সুৰত কলে সৌটো ভুত— আমাৰ ফালেকে আহিছে। ড্ৰাইভাৰে গাড়ী ৰাখি দিলে। আটাই কেউটাই নৈখনৰ ফালে চাই দেখো নৈৰ সিপাৰে পানীৰ জুৰলীত ভুত এটাই হাতভৰি জোকাৰি আপোন মনে গান গাই নাচিছে। ওচৰতে দেখৰ মানে হাৰমূৰ কিছুমান। ‘ আমাৰ এজন সাহসীয়ে হৰি বিষ্ণুক ইমানকৈ ডাক দিলে যে আমাৰ কাণ নেথাকে যেন অনুমান হল।

এজনে কাণীয়ে কাপোৰ এৰিলে। ড্ৰাইভাৰ জনে মটৰৰ হেন্দোল দাল বিচাৰি চলথ লগালে। এই সুযোগতে তেওঁক হেছা মাৰি আতৰাই ষ্টিয়েৰিং ডাল ধৰি মই গাড়ী এৰি দিলো।

ৰাতি পুৱাই পুৱাই আহোতেই গোলাঘাটৰ ডাকবাঙ্গলা পালোগৈ। দুজন মান শুলে—দুজন মানে চাহপানীৰ খবৰ ললে—মই পিছে সাজি কাছি গৰমপানীৰ ভুত চাবলৈ ওলালো। এজন মাত্ৰ বন্ধু লগত ওলাল। আন্দাজ বুজি গৈ ভুত ওলোৱা ঠাইত গাড়ীখন ৰাখি দিলো। তেতিয়া বেলি ভালকৈ ওলাইছে। নৈৰ সিপাৰে এজন মানুহে মন্ত্ৰপাঠ কৰিছে কলপুলি এটাৰ তলতে বহি। এজন ব্ৰাহ্মণে পাঠ কৰোৱাইছে। ঘাটতে লৰা দুটি বহি সেই ফালে চাই আছে। অৰ্থাৎ সিফালৰ গাৱৰ কোনোৱা অলপতে ঢুকাল। নৈৰ কাষত কলপুলিটি পুতি পিণ্ড দৈনিক দি আছে। সেই কলপুলিটিৰ পাত লৰি ৰাতি ভুতৰ নাছ আমি দেখিলো। ওচৰত পৰি থকা বিলাক নাৰিকলৰ বাকলি, বাহৰ টুকুৰা আদি—সেয়ে হল আমাৰ কাৰণে হাৰমূৰবোৰ। দুয়ো হাহিলো আৰু গৰম পানীত গা ধুবলৈ গুছি গলো।

বুধনা চৰ্দ্দাৰ

বুধনা হাতীঘুলি বাগানৰ বুঢ়া চৰ্দ্দাৰ। অসমত তাৰ ৪০ বছৰ হৈছে। সি যিকেষাৰ কথা কয় অনেক অসমীয়া মানুহেই তেনে শুদ্ধ অসমীয়া পাহৰি গৈছে। তাৰ চুলিগোছাৰ লহৰ, তাৰ কমৰ মাৰি চুৰীয়া পিন্ধাৰ ধৰণ, তাৰ মুখৰ তামোলৰ মোকোৰা, তাৰ ককালৰ খোছনাত নলীয়া কটাৰীখন আৰু বামুণ সজ্জন দেখিলে "প্ৰভু সেৱা" বুলি দুইহাত জুৰি কৰা প্ৰণামটো দেখিলে অসমী আইৰ বুকৰ মাজৰ এটি আদৰৰ সন্তান নহয় বুলি কোনে কব। তাৰ সজ স্বভাব দেখি তাক মৰম নকৰা মানুহ নাই। সত্ৰীয়া অধিকাৰ গোসাঁই প্ৰভুৱেও "মিতা তামোল খা' বুলি হাতে হাতে বুধনাক তামোল দিয়ে। গাৰৰ ভাৰনা সবাহত বুধনা নাট মেলা ঠাইৰ কাষতে বহেগৈ। বুধনাই দীঘলীয়া সেৱা এটি কৰি খি ভক্তিভাবে নাম ঘৰত সোমায়—বৰমেধিয়ে মাতি নি তাক কাষতে বহুৱায়।

বাগানৰ সকলো বনুৱা বুধনাৰ ধমকত কম্পমান। বৰচাহাবে বুধনাৰ ছুখ দেখিবই নোৱাৰে। বছৰি একোটা পোষাক বুধনাই বকচিচ্ পায়।

সেইহেন বুধনাই সোমবাৰ এটাৰ উপজ্জি পুৱাতে বৰচাহাবৰ আফিছত সোমাই ফেকুৰী ফেকুৰী কান্দি থকা দেখি বৰচাহাব বৰ আচৰিত হৈ সুধিলে ঃ—

"কি হল বুঢ়াকাই তোমাক কি লাগে ?" বুধনাই চকুৰ পানী মছি কলে "মোক একশ টকা আগধন লাগে হুজুৰ।" এশ টকা বুধনাক আগধন লগা এটা ডাঙৰ কথা কিয়নো বুধনাৰ একোৰে অভাব নাই। বৰচাহাবে সেই বাবে কি কাৰণেনো আগধন লাগে খুছৰি খুছৰি সোধাত লাগিল। বুধনাই সকলো কথা বিবৰি কলে।

"হুজুৰ আপুনি জনে—মোৰ ২নং পৰিবাৰ পহিলা সন্তানটোৰ প্ৰসব বেদনাত্তে ঢুকাল। প্ৰসব বেদনাত ঢুকুৱা সকলো মাইকীকে আমি একেঠাইতে পুতি থও— কিয়নো তাহাতি বৰ আছুকলীয়া পেৰেত হৈ মতা মানুহক জুলুম কৰে। মোৰ ঘৈণী ঢুকুৱা একুৰি চাৰি বছৰ হল। পিছে হুজুৰ কালি তাই আহি মোক তাইৰ লৰাটো খুজি বৰ জুলুমত পেলালে। বাপ ৰে বাপ— তাইৰ চকু কেটা জুইৰ দৰে। তাইৰ কথা কওতে মুখেদি

জুই ওলায় ।" বুধনাই বাহিৰলৈ চাই পঠিয়ালে—কিজানি বা তাই আহিছেই। বৰচাহাবেও কথাটোত বৰ আমোদ পাই চকীখনে সৈতে তাৰ ফালে ঘূৰি বহিল। বুধনাই কৈ গল :

"পৰহি হুজুৰ আমাৰ পূজা আছিল। পূজাৰ পাছত আমি প্ৰসাদ অলপ খালো। চব মানুহ পূজা ঘৰৰ পৰা যোৱাৰ পাছত মই হুজুৰ তাতে অলপ বহি পূজাঘৰটো চাফ কৰিলো। মই ঘূৰি আহোতে ৰাতি হৈ গল। পূজা ঘৰ এৰি অলপ আহি বৰগছজোপাৰ তল পাইছোহে হুজুৰ মোৰ ঘৈণী জনী আহি আগ ফালৰ পৰা আগছি ধৰিলে। চকু কেটা ৰঙ্গা—জুইৰ দৰে—মোৰ বেছ মনত আছে। ভৰি কেটা নেদেখিলো কিবা যেন চকা লগা খৰম এজোৰ পিন্ধি আহিছে। তাই মোক আগৰ দৰে "বুধনা ৰে" বুলি মাতি "মোৰ বাৎসা কি কৰিলি দে" বুলি কান্দিবলৈ ধৰিলে। মই হুজুৰ কালীমাই—দুৰ্গামাই সদাশিব সকলোকে চিঞৰি চিঞৰি তাইক হতাই দিবলৈ খাতিলো —তাই কিন্তু কেটকুটেই নকৰিলে। কেৱল কান্দে আৰু মোক গালি পাৰি লৰাটো খোজে। মই ভয়ত হুজুৰ কপি কপি মাটিত পৰি গলো। বহুত সময়ৰ পাছত মোৰ ৰৰলৰা দুখীয়া গৈ মোক লৈ আহিলগৈ। তাই হুজুৰ তেতিয়াও

কৈ গৈছে—তাইক .লৰাটো আনি নিদিলে তাই মোক লধ বোলে।”

চাহাবে খুব হাহিলে—“তই প্ৰসাদ অলপ বেছি খালি বুধনা—তোৰ মগজ বেয়া হৈ গল। ফুলি চাৰাপ খোৱা নাছিলি জানো ?”

“ফুলি চাৰাপ অনেক দিন খাইছো হুজুৰ—কিন্তু এনে দৰে পাগল মই নহও। পাগল হোৱাকৈ ময় নেখাওয়েই। আমাৰ গুৰুৰ ঘৰৰ পৰাও ধৰিছে হুজুৰ—মই এইবোৰ বাদ দিয়ে আহিছো আৰু। সকামে নিকামে অলপ কথা বেলেগ আৰু। পিছে হুজুৰ মই কালি গৈ আমাৰ বাগানৰ সিমূৰে থকা বাবাজীৰ ওচৰ পালোগৈ। বাবাজীয়ে তাইৰ পেৰেতটো খেদি দিবলৈ মান্তি হৈছে—কিন্তু নগদ ৫০০৲ লগে। মোৰ হাতত ৪০০৲ হব—এশ টকা দিলে মোৰ কামটো হয় হুজুৰ। দয়া কৰি টকাটো দিয়ক—নহলে মই আৰু নেবাছো—তাই মোক লম বুলিছে লব।”

বৰ চাহাবে কথাটো অলপ তভক মাৰি ভাবিলে আৰু ২।৭ দিনৰ পাছত আহিবলৈ কলে। ইবেলা বৰচাহাবে বৰমহৰীজন দ্বাৰাই বাবাজীক কোৱালে বোলে ভূত খেদাৰ ভাও ধৰি এই দৰে বনুৱাহতৰ পৰ টকা আদায় কৰিলে

বাবাজীক পুলিছত দিয়া হব আৰু পাচটা টকা লৈ বুধনাক তাৰ মাইকীৰ পেৰেতটো গলগৈ বুলি বুজাই দিব লাগিব—নহলে বাবাজীক তাত থাকিবলৈ দিয়া নহব।

তাৰ পাছ দিনা বাবাজী নিজে আহি বুধনাৰ ঘৰ পালেহি। ৰঙ্গাফুল, ৰঙ্গা কাপোৰ আৰু কলা পাৰ এটাৰে পূজা কৰি দহমহা দক্ষিণা লৈ বাবাজীয়ে বুধনাৰ ঘৈণীয়েকৰ পেৰেত খেদি বুধনাক ৰক্ষা কৰিলে। বৰচাহাবে কথাটো শুনি গোফৰ তলতে মিচিকীয়া হাহি এটা মাৰিলে।

সি 'গ্ৰেজুৱেট'

নৰেণ মোৰ বাল্য বন্ধু। একে পাকতে তিনটা কাম কৰি হাহিব পৰা আৰু মুখ খোলে খালে বন্ধ হব নোখোজা সৰু কালৰে স্বভাবটো তাৰ আছেই। সেই দিনা পুৱা অকস্মাতে সি মোৰ আলহী হলহি। বহিয়েই সি লপলপাবলৈ লাগিল। তাক প্ৰায় ছমাহৰ পাছত লগ পালো এই সময়খিনি বোলে সি "অল আসাম টৰ"ত কটালে।

"দেশৰ অৱস্থা খাৰাপ, বুইছ। শতকৰা ৬০ জন গাৱঁৰ মানুহৰ খাবলৈ নাই। ইয়াৰ বাজেও অনেকেই এসাজকৈ লঘোন দিব লাগে—কিন্তু লাজতে কাৰো আগত নকয়। দেশত বেকাৰ বাঢ়িছে।"

"কিন্তু" মই মুখ পাতিলো "কাম কৰাবলৈ মানুহ এটা বিচাৰিছোন—কেৱল নাইকেহে শুনিবি। খড়ি ফালি-. বলৈ মানুহ কেটামান সিদিনা মতালো। এলবী খড়িত দেৰকুৰি টকা নহলে নোৱাৰো বুলি কৈ গুচি গল। অথচ ছমাহৰ আগতে তেনে এলবী খড়ি দহটকাত

সিহতেই ফালিছিল। ঘৰ এটা সাজিবলৈ লগে পকামিস্ত্ৰী, কাঠ-মিস্ত্ৰী, বাহমিস্ত্ৰী আদিৰ অভাৱত কি বিপদতযে পাৰিব লগা হয় ভুক্তভোগীয়েহে বুজে। অ কাম কৰা বন্নুৱা-মিঞা হতক আজি কালি মিস্ত্ৰী বুলি মাতিব লাগে আৰু আঢ়ৈ টকা হাজিৰা দিব লাগে—জান নহয়। সিহত বাহ-মিস্ত্ৰী। জেওৰা দিয়া, বাহৰ বেৰা দিয়া, চিলিঙ্গি সজা সিহতৰ কাম।"

"লাজ অ' লাজ—আমাৰ মানুহৰ কাম কৰি খাবলৈ লাজ লাগে হেনো। অ' মুনীয়া হতক মাটি-মিস্ত্ৰী বোলনে কি তহতে?"

দুয়ো খন্তেক হাহিলোহক।

"বাৰু ভাবি চাছোন প্ৰকৃত অৱস্থাটো" সি আৰম্ভ কৰিলে "কাকনো দোষ দিয় বাৰু? আজি এই ১৯৫৮ চনতো পৈতৃকি সম্পত্তি বুলি মাটি কিছুমানৰ মালিক হৈ আধি দি খাই নপতা বড়া 'হৈ একোটা পৰিয়ালে লৰা পঢ়াই, ছোৱালী বিয়া দি, ৰেদিঅ' লগাই, মটৰ গাড়ীৰে পিট-পিটাই আৰামত দিন কটোৱাৰ উপৰিও বাগানৰ বৰ বাবুৰ পৰা আৰম্ভ কৰি এচ. ডি. চি, প্ৰফেছাৰ আদি কামত ২।৩ টা লৰা সুমুৱাই যি দৰে থিতাপি লৈ আছে ভাবিলে ভয় লাগে। বাগানৰ বাবু এজনৰ কথা বাৰু

নধৰোৱেইছোন ; বন্ধুৱা পৰিয়াল এটাৰ আয়ৰ কথাকে ধৰছোন। আমাৰ তিনি ঘৰ খেতিয়ক পৰিয়ালৰ সম্পত্তি বনাছৰ টকা কেটাৰেই কিনি লব পাৰে। এনে অৱস্থা চাই আঠুৱণীয়া বোকাত লাগি খালৰ জখ হোৱাৰ কথা মানুহে কিয় ভাবিব বাৰু ? খেতিত লাভ নাই, খেতি কৰিবলৈ মাটি নাই, খেতিৰ গৰু-মহৰ বেমাৰ, খেতিৰ কাৰণে ৰোৱণী-দাৱণীৰ অভাৱ, খেতিৰ বতৰ বেয়া, অতি বেয়া। এতিয়া খাবলৈ নেপাই চৰ মৰ হৃক। ফাণ্ডতে নগৰত মাটি এডুখৰি লৈ লোকৰ মূৰতে কঠাল ভাঙ্গি পকা ঘৰ সজাই ভাৰা দি মাহে হেজাৰ দেৰ হাজাৰ উপাৰ্জন কৰি শ্বিলং বা কলিকটাত নিজা ঘৰ বান্ধি আয়মত সময় কটোৱা লোক অনেক আছে। আৰু আমি এমুঠি নিমখ ভাতৰ কাৰণে মগজ খাৰাপ কৰি ঘূৰি ফুৰিছো।”

“আৰু মাগি অনা চাউল বেছি লোকৰ জোটা এজোৰ খুজি লৈ ৰিক্সাত উঠি চিনেমা চাবলৈও গৈছো।”

“তই এটা অলগন্ধ..”

সি আৰু কিবা কব খুজিছিল। তেনেতে ৰান্ধনী ঘৰৰ ফালৰ পৰা মিহি মাত এটাৰ চাহ দুকাপ আনিবৰ কাৰণে নিৰ্দ্দেশ অহাত মই উঠি গলো আৰু সেই যাত্ৰালৈ ৰক্ষা পৰিলো।

চাহ চুপি চুপি মই এটা সচা গল্প কলো। সি নিতাল মাৰি শুনিলে।

"এঘৰ গৃহস্থ আছে—চৰকাৰী পেঞ্চনাৰ। তাৰ মূল কৰ্ত্তাজন কালি মোৰ ওচৰলৈ আহিছিল বুইছ। টকা ধাৰলৈ বিচাৰি আহিছিল। তেও কি বুলি কৈছিল জান?—"মোক টকা তিনিশ ধাৰলৈ দিয়ক শুনিছেনে, মোক ৰাখক"। তিনিশ টকাৰেনো কি কৰিব বুলি সোধাত তেওঁ কি কলে জান? তেওঁৰ হেনো তাৰ পৰা মাহে ৩৬৲ কৈ আয় হোৱা এটা কাৰবাৰ হব। মই আস্তে বেস্তে সুধিলত তেওঁ বুজাই দিলে—কাগজ পত্ৰও দেখুৱালে। তেওঁ মাহে ৩৬৲ সুতত কাবুলীৰ পৰা ৩০০৲ ধাৰলৈ লৈ কেবা বছৰো সুত দি আহিছে। এই তিনিশ ফিৰত দিলে মাহে ৩৬৲ কৈ বাছি যায়—এয়ে।"

সি এটা হুমুনীয়া কাঢ়িলে।

সি ভলন্টিয়াৰ আছিল। ঘৰত কি হৈছে কাহানিও কব নোৱাৰে—কিন্তু ঘৰ এখন আৰু আপোন মানুহৰ পৰিয়াল এটা আছে। ট'লৌ ট'লৌ কৈ অ'ত ত'ত ফুৰি ফুৰে। সভা সমিতিৰ নাম শুনিলে ছুদিনীয়াকৈ থাকি যায়, গৰম্ বক্তৃতা দিয়ে। যতে যি পায় খায়। বন্ধুৰ ঘৰত আলহী হোৱাত অলপো বিৰক্তি বোধ নকৰে।

মোৰ বহা কোঠাটোৰ কাষতে আৰু এটা কোঠা বঢ়াইছিলো। দুজন বঙালী মিস্ত্ৰীয়ে তাত হাজিৰা কৰে। এজনৰ দৈনিক পাচটকা, ইজনৰ তিন টকা—দ্বিতীয় জন জোগালী। জোগালীজনৰ চেহেৰা ভাল, কাম বোৰ মিহি, কামত ধীৰ। মানুহ জনে কিবা ভাৱি চিন্তি থকা যেন লাগে। মিস্ত্ৰীজন কিন্তু একেবাৰেই "ৰিং মাষ্টাৰ"। একে উশাহে পাচোটা কথা কে পূৰ্ণহতীয়া কোবত গজাল বেকা কৰি টানি উলিয়াবলৈ পাচ মিনিট লয়—দৰজাৰ কজাত "স্ক্ৰু" গজাল একেমাৰেই "ফেলেইন" কৰি দিয়ে।

মিস্ত্ৰীক কাম বটাই দি নৰেণক আৰমী চকী এখনত বহুৱাই পঢ়িবলৈ খবৰ কাগজ এখন আগবঢ়াই মই চাউল সিজোৱা মুঠিৰ পৰিবেশ কৰিবলৈ গলো। কিছু সময়ৰ পাছত উলটি আহি তাৰ ওচৰতে বহিলোহি। হাইড্ৰোজেন আৰু এটম বোমাৰ পৰা উৎপত্তি হোৱা "ফ্লু" ৰোগৰ পৰা আৰম্ভ কৰি, বাৰুনীত পেট্ৰল-কল পাতিব খোজা বন্দবস্তকে মধ্য, কৰি, চেপাত লগা পুঠি মাছৰ অৱস্থাৰ কথালৈকে হেজাৰ কিচিমৰ আলোচনা চলিল। তাৰ মাজতে সি এবাৰ কলে "ইয়ৰ চেকণ্ড মিস্ত্ৰী ইজ হপলেছ। হি হুজ এক নম্বৰী চালাক। খালি হাজিৰকো

ৰাস্তে আতাহে—কামমে ফাকি দেতাহে। টাৰ্ণ হিম আৰু অৰ ইউ লুজ এ লাট।”

“কি কৰিম পাই, মানুহ পাবলৈ নাই। ইহঁতকে কৈ মেলি কামত লগাইছো আৰু। ইজন জোগালীহে হাজিৰা কম।”

“হি, চিমচ টু বি এ গ্ৰেট ফিলচফাৰ। হি পজেচ চ। লুক এট হিম—হি ইজ ফিলিং চাই।”

নৰেণক ভাল লগাবলৈকে মই জোগালীজনক টানি কলো—“কাজে ফাকি দিও না হে—টাকাৰ খুব টান আজ-কাল।”

মিস্ত্ৰীজনে আপছু হাহি এটা মাৰিলে। জোগালীজনৰ চকুত পানী বিৰিঙিলে। কথাটো লক্ষ্য কৰি মই বৰ দুখ পালো।

ভাত-পানী খাই উঠি নৰেণ গলগৈ। আবেলিটো নানা কামত ব্যস্ত হৈ কটাই দিলো। গধূলি হাজিৰা দিবৰ সময়ত জোগালী জনৰ বিষয়ে ২।৪ টা কথা জানিবৰ মন কৰি প্ৰশ্ন কৰিলো। সি আহোতেও পুৰা বহুত দেৰি কৰে তাৰো কৈফিয়ৎ তলব কৰিলো।

“কি কৰিম বাবু-পেটৰ দায়” সি ভঙা অসমীয়াত কলে “বি-এ পাছ কৰি স্কুলৰ মাষ্টৰী কৰি খাইছিলো।

ৰিফিউজী হৈ এইখিনি পাইছোহি। পুৱা দুটা টিউচন কৰো। দিনত এটা ব্যৱসায় লবৰ ইচ্ছা কৰি এই কামকে শিকিছো। গধুলি খবৰ কাগজলৈ বা-বাতৰি জোগাৰ কৰো। দোষ হলে মাফ কৰিব আৰু।”

মই সুতুক কৰে ভিতৰ সোমালো আৰু বান্ধা কৰা কাঠৰ জাবৰ এটোপোলা বান্ধি মূৰত লৈ যাবৰ কাৰণে সাজু হোৱা জোগালীজনলৈ খিড়িকিৰ ফাকেদি চাই ৰলো।

এৰা বঙ্গলোৰ ভুত

ডিব্রুগৰৰ এলেকাত 'হাতীমূৰা' বাগান খনৰ এমূৰে এৰা বঙ্গলাটো। বহুত দিনৰ আগতে তাত ইউৰোপীয় মেনেজাৰ এজন আছিল—তেও তাতে ঢুকাল। তাৰ পাছত সেই ঘৰটো আলহী-ঘৰ হিছাবে ব্যবহৃত হৈ আহিছে—স্থায়ী বাসীন্দা কাৰো নাই।

ঠিকা কিছুমানৰ লেঠাত সেই বাগানত মই কিছুদিন থাকিব লগা হল। জৰুৰীকৈ পাত ঘৰ এটা কৰি দিব লগা হোৱাত বাগানৰ মেনেজাৰ জনে মোক আদৰ কৰি সেই আলহীঘৰতে থাকিবলৈ দিলে। ওচৰতে আছিল বঙ্গলা চকীদাৰৰ বহা। সি আছিল এটা নেপালী ডেকা। তাৰ ঘৰৰ কাষৰ পৰাই বনুৱাসকলৰ বহাবোৰ। সি বঙ্গলাত নেথাকে।

মই সন্ধ্যা বেলিকা গৈ বঙ্গলা পালোগৈ আৰু চকীদাৰৰ লগত চা চিনাকি হৈ ভাত এমুঠি খাই শুই থাকিলো। পাছ দিনা পুৱাই গলো কামলৈ। ঘূৰি

আহি আবেলি ভাত এমুঠি বন্ধাই খাই খন্তেক জিৰাবলৈ বহিলো—পৰ্টিকটোত। ফাগুন মহীয়াৰ সুন্দৰ বতৰ। চাৰিওফালে নানা ধৰণৰ ফুলবোৰ ফুলিছিল। নাহৰ ফুলৰ সুগন্ধই গোটেইখন আমোল মোলাই আছিল। চাহাবী ঘৰ—ধুনীয়া সাজ সৰঞ্জাম—ধুনীয়া ধুনীয়া আচবাব। ফুলনিখন আছিল মনমোহা। হাবিৰ মাজত নন্দন কানন সাজি কেনে সুন্দৰকৈ বাস কৰিছিল সেই মেনেজাৰ সকল। তেওঁলোকৰ পৰিষ্কাৰ পৰিচ্ছন্নতা, তেওঁলোকৰ ৰুচি, তেওঁলোকৰ আদান প্ৰদানলৈ মনত পৰিল। আমাৰ দেশৰ মানুহৰ তেনে ভাবধাৰা গঢ়ি নুঠালৈকে দেশখন কেনেকৈ উন্নত হব বাৰু? অলপ চিলমিলকৈ টোপনি ধৰিব খুজিছিল। কাহ এটা মৰা শুনি সাৰ পাই দেখো নেপালী চকীদাৰটো। সি কিবা কবলৈ ইচ্ছা কৰিছে। মই কি কব লগা আছে সুধিলো।

“আপকা ঘৰ কাহা বাবু চাঁহাব?”

মই “বাবুও” নহলো চাহাবো” নহলো—হলো “বাবু চাহাব।” ইউৰোপীয় হোৱা হলে ‘চাহাব’ পূৰা মাত্ৰাই হলোহেতেন আৰু সম্বোধন হলহেতেন “হুজুৰ”। এতিয়া বাবুও নহয়—চাহাবৰ বঙ্গলাতো বাবু নেথাকে। মানুহ তিনিবিধনে কি? চাহাব, বাবু আৰু বনুৱা (কুলি)?

চাহাব ধনী, মানী, শিক্ষিত, ভাল বস্তু খোৱা, ভাল ঘৰত থকা, মটৰত ফুৰা। বাবু মধ্যম শ্ৰেণীৰ। পঢ়াশুনা জনা, চফা কাপোৰ পিন্ধা, পেটে-ভাতে খোৱা। ইবিধ কুলি বা বনুৱা। কোৰ-কটাৰী মাৰি জীৱন ধাৰণ কৰা—বাবু সকলক বা চাহাব সকলক আল-পৈচান ধৰা ইত্যাদি ইত্যাদি। চাহাবৰ লৰা-ছোৱালীয়ে অলপ মৈলা হলেই কাপোৰ ধোবাৰ ঘৰলৈ দিয়ে। কামোৰ মাৰি বিস্কুট অকমান খাই তললৈ পেলাই দিয়ে। খং উঠিলে আইনাৰ গিলাছ, ধুনীয় কাপ প্লেট ভাঙ্গি পেলাই দিয়ে। কাপোৰো ফালি পেলাই দলিয়াই দিয়ে। পৰিচাৰক সকলক মাৰে। বনুৱাৰ লৰাই মৈলা কাপোৰ আৰু চফা কাপোৰৰ পাৰ্থক্য নুবুজে—কাপোৰ হলেই হল। বিস্কুট এটুকুৰা পালেও দামী খানা খাই গৌৰব কৰে। খং উঠিলে ওচৰৰ পানী ডোঙ্গাৰ বোকাত লেটি লয়। পৃথিবীৰ উৎপন্ন বস্তুৰ ওপৰত যেন সিহতৰ কোনো দাবী নাই। সিহতে নুবুজে যে ভগবানে সকলো বয়বস্তু সকলোলৈকে ৰাখিছে—মাত্ৰ ইয়াত মানুহে মানুহক বঞ্চিত কৰি খাই মনুষ্যত্বক অপমান কৰিছে।

মই এই তিনিবিধিৰ বাহিৰৰ "বাবু-চাহাব"—চতুৰ্থ এবিধৰ সৃষ্টি !

"হামাৰ ঘৰ যোৰহাট জিলামে। ক্যাঃ হুৱা তোমাৰা কৈ আপনা আদমি যোৰহাট মে হে ?"

"নহি বাবু চাহাব আপ দূৰ দেশসে আয়া, হিয়াকা হাল চমজ্‌তা নাহি।"

"হিয়াকা ক্যা হাল হে ?"

"কৈ নুতন তো হে নাহি লেকিন এই বঙ্গলা বড় ঠিক নাহি হে।"

"ক্যা হুৱা বঙ্গালাকা ?"

"ইচমে ভুত হে বাবু চাহাব।"

মই খুব জোৰেৰে হাহি কলো "আচ্ছা বাত—মৈ ভুত আভি তক দেখা নাহি হুআ—আভি ইছ বঙ্গলামে দেখ লেগা। দেখ—হামকো ভুতকা চাথ মুলাকত কৰ দেও।"

"আচ্ছা বাবু চাহাব" বুলি চকীদাৰ গলগৈ।

ৰাতি আৰামত শুলো। নিগণি দালসলীয়া কেটামানে ঘটংমটং কৰি আছিল—মই মুঠেই ভয় কৰা নাছিলো। বহুত ৰাতিলৈকে দূৰত মাদলৰ শব্দই বাগিছা খনক সজীৱ কৰি ৰাখিছিল। ৰাতিৰ চকীদাৰৰ বিকট চিঞৰ একোটাও মাজে মাজে শুনা গৈছিল। বেছ আৰাম লাগে।

পাছ দিনা পুৱাৰে পৰা জিম জিম কৈ বৰষুণ। দিনটো আধা তিতা হৈ ঘূৰি আহি চকীদাৰৰ পৰা গৰম

পানী এবাল্টি অনাই হাতভৰি ধুই খোৱা তেল অকন ভৰিত ঘহি শুলো। ভাত দিবলৈ চকীদাৰ ছুবাবো আহিল—মই মাত নিদিলো। বেছেৰাই খোৱা কোঠাত ভাত সজাই থৈ শুই থাকিলগৈ। ৰাতি ছুটামান বাজিছে। চকীদাৰটোৱে মোৰ দুৱাৰত খুন্দিয়াই সৰু সৰুকৈ মাতি আছে। এবাৰ সাৰ পাই দুৱাৰ খুলি চাও ছুটা মানুহ। সিহত ভয়ে ভয়ে ভিতৰলৈ সোমাই আহিল আৰু চকীদাৰে মোক ফুছফুছাই কলে বোলে ভুত ওলাইছে চাব পাৰে। মই তৎক্ষণাৎ ভুত চাবলৈ বাজ ওলালো।

বাৰেন্দালৈ আহি দেখো সমুখৰ বাহনি খনত বাহৰ সমান ওখ ছায়া এটাই ইফাল-সিফাল কৰি আছে। চকীদাৰে সেইটো ভুত বুলি মোক আঙুলীয়াই দেখুৱাই গুছি গল। মই সেইটো এটা বাহ গছৰ ছায়া বুলি ভাবি স্থিৰ ভাবে বহি ৰলো।

অলপ সময়ৰ পাছত দেখো ছায়াটো বাহনিৰ পৰা ওলাই আহিল। সেই সমান ওখ—মানুহৰ আকৃতিৰ—শুদ্ধ বগা পোছাক পিন্ধা এটা প্ৰকাণ্ড ভুত। সি কিছু দূৰ আহি বঙ্গলাটোৰ ফালে চাই ৰল—পাছত উলটি ওচৰতে থকা স্কুল ঘৰটোৰ ফালে আগ বাঢ়ি গল। ক্ষন্তেকতে স্কুল ঘৰটোত সোমাই সি নেদেখা হল। তাৰ

পাছতে স্কুল ঘৰটোত এটা অদ্ভুত গণ্ডগোলৰ সৃষ্টি হল। চকী ডেস্ক পেলোৱা টিঙত দলিওৱা, বেৰত ঢকা মৰা ইত্যাদি শব্দই খলক লগালে। মই ঠাইতে শোৱা কোঠালিত সোমাই দুৱাৰ বন্ধ কৰি বন্দুকটো বিছনাতে পেলাই লৈ শুবৰ যত্ন কৰিলো— টোপনি নাহিল।

পুহৰি পুহৰি সময়তে গৈ স্কুল ঘৰটোৰ খিড়িকিয়েদি ভিতৰলৈ চাই দেখিলো তাত চকী বেঞ্চ দেস্কবোৰ যেনিয়ে তেনিয়ে পৰি আছে। ৰাতি কোনোবা সোমাই তাত মইমতালি কৰাৰ স্পষ্ট চিন আছে। মই তেতিয়াহে বুজিলো সি চাহ-বাগানৰ এৰা বঙ্গলাৰ ভূত হয়।

———

তিনি বন্ধু

চাকৰীৰ লেঠাত শ্বিলঙত অকনমান ঘৰ এটা ভাৰা কৰি থাকো। অফিছ থকা দিন কেটা ভালেই যায়। ঘৰত বহি থাকিব লগা দিন কেটা মোৰ দৰে অকলশৰীয়া মানুহ এজনৰ পক্ষে বৰ দুখজনক। কাঞ্চাটোৱে ভাত মুঠি দিয়ে কৰবালৈ গুছি যায়—জুৱা খেলেগৈনে কি জানো?

এই নিসঙ্গ দিনবোৰ কটাবলৈকে মোৰ কাষতে থকা ঘৰ খনৰ মালিক বুঢ়ীজনীৰ লগত চিনাকী হৈছিলো। তায়ো মোৰ দৰে অকলশৰীয়া। পিতেকে ডাঙৰ কাম এটা কৰে–কিন্তু প্ৰায়ে অসমৰ নানা ঠাইত ভ্ৰমণ কৰিব লগা বাবে ঘৰত কম থাকে।

সেই দিনা ৰবিবাৰ। বতৰটো বেছ ভাল। গতানুগতিক ভাবে আবেলি বুঢ়ীৰ ঘৰৰ আগৰ ফুলনি খনৰ বেঞ্চ খনতে দুয়ো বহি কথাৰ মলহা মাৰিলো। বুঢ়ীয়ে তিনি বন্ধুৰ গল্প এটা কলে।

"প্ৰথম জন বন্ধু পাইছিলো গাভৰু কালতে। মই নবৌ আৰু মোৰ বান্ধবী এগৰাকী এৰাতি গাৱঁৰ ভাওনা

চাবলৈ গৈছিলো। তেজগোৰা মুখৰ, চেপেটা নকা, নোদোকা ডেকা এটাই মোৰ ওপৰত বৰ চকু দিলে। মোলৈ দৰা এটা পোৱাৰ আশাত নবৌয়ে বৰ বেয়া নেপালে। বান্ধৱীয়ে চিকুটি চিকুটি মোক নাকনি কাননি কৰিলে। ডেকা-বন্ধু আহি এবাৰ তামোলকে এখন খুজিলে। সুন্দৰ ডেকাটি। গোটেই দেহত যৌবনৰ গৰ্ব্ব বিয়পি পৰা আৰু চৰকাৰী চাকৰী কৰা যেন অনুমান হোৱা ডেকাটি পোৱাৰ আশা ময়ো কৰিছিলো। ডেকা আমাৰ ঘৰলৈ পাছত বহুত দিন অহাযোৱা কৰিছিল। তেওঁ ওচৰৰ থানাত কনিষ্টবল আছিল। সুযোগ পালেই ককাইদেউৰ লগত ধপাত-তামোল খাই বুকত এটা আশা লৈ বহি থাকেহি। ডেকা আহিলে মোৰো বুকুখনত কিবা হেন্দোলনী এটা উঠে। তেওঁ দুই এদিন নহাকৈ থাকিলে মোৰ মনটো সেমেকা সেমেকা লগা যেন পাওঁ। আহিলে চাহ-পানী এবাটিও কৰি দিওঁ—লুকাই চুৰকৈ দেখাও দিওঁ। —তেওঁ মোক এচেন্স, ৰুমাল, মূৰত মৰা পিন, চোলাৰ কাপোৰ আদি উপহাৰ দিয়ে। তেওঁ মোৰ জীৱনৰ প্ৰথম বন্ধু। সেই থানাৰ পৰা বদলি হৈ যোৱাত আৰু দেখা নহল। ক'ৰ ভাৱনাত বা আৰু কাক দেখা পালেগৈ!

দ্বিতীয় বন্ধু হল মোৰ স্বামী। হুথাতে বিয়া হৈ গল তেওঁৰ লগত। পাঠশালা স্কুলৰ পণ্ডিত আছিল তেও। গাৱত বেছ সম্মান, ধুনীয়া চেহৰা, অৱস্থা ভাল, খেতি পথাৰ চকুত লগা। তিনি বছৰ আনন্দৰে কটালো। হুথাতে এদিন তেও খবৰ দিলেহি বোলে স্কুলৰ কাম এৰি তেও মিলিটেৰীত যোগ দিলে। কিছু দিনৰ পিছত ধুনীয়া, সাজ পোষাক পিন্ধি মোক ককাইৰ ঘৰত থৈ তেও কৰবালৈ গুছি গল—আৰু উলটি নাহিল। আমাৰ বিয়াৰ পাছত সেই কনিষ্টবলৰ জনৰ পৰা আমাৰ প্ৰণয়ৰ কথা তেও হেনো নিজ কানে শুনিলে আৰু তাৰ পৰা জীৱনত বিতৃষ্ণা উপজি তেও এনে কৰিলে বুলি চিঠি এখন পাইছিলো—সেয়ে আমাৰ বিবাহিত জীৱনৰ শেষ কথা।

তৃতীয়জন বন্ধু পালো তাৰ কেমাহমানৰ পাছতে। মই আসন্নপ্ৰসবা। স্বামী ঘৰত নায়েই। ককাইদেউৰ মোৰ ওপৰত খং। নবৌৰ ডিচেন্ট্ৰি। হুথাতে এজন কম্পাউন্দাৰ কাম কৰা মানুহ আমাৰ ঘৰত এৰাতি আলহী হলহি। তেও কোনোৱা এফালে গৈ চাইকেল বেয়া হোৱাত হুথাতে আমাৰ ঘৰত থাকিল। আমাৰ দুখৰ কাহিনী ককাইদেৱে সকলো কলে। ময়ে ভাত এমুঠি ৰান্ধি

তেওঁক খুৱালো। তেওঁ পাছ দিনা গুছি গল। সেই দিনৰ পাছতে মোৰ ভয়ানক অৱস্থা। জীৱন যায় যায়—সন্তান অপ্ৰকৃতিস্থ থকাত প্ৰসব অসম্ভব হল। কোনো চাওতা নাই। কম্পাউন্দৰ জন সেই দিনা এনেয়ে খবৰ কৰিবলৈ আহি সকলো গম পালে। তৎক্ষণাত নগৰলৈ গৈ তেও এজনী ধাই লৈ মটৰৰে আমাৰ ঘৰ পালেহি। দুয়োৰে অসীম কষ্টৰ ফলত মোৰ এটি পুত্ৰ সন্তান জন্ম হল—মই চিৰদিনলৈ কম্পাউন্দৰৰ বন্ধুত্ব লাভ কৰিলো। এও মোৰ তৃতীয় বন্ধু। এও এতিয়া ইহজগতত নাই। ধাই গৰাকীকো আৰু লগ পোৱা নাই। ভিজিট বাবদ আঙঠি এটি দিলো—ললে। কম্পাউন্দৰ জনে কিন্তু একো নললে। তেওৰ অনুগ্ৰহত লাভ হোৱা এই সন্তানটি পঢ়াই শুনাই মানুহ কৰিলো। আজি দুই বছৰ সি চাকৰীত। বেছ সুখতে দিন বোৰ গৈছে। অহা মাঘত তাৰ বিয়া হব। তেতিয়া ক'ৰ পানী কলৈ যায় কব নোৱাৰো। চতুৰ্থ বন্ধুৰ বোধ কৰো আৱশ্যক নহব।

খাছীয়া ছোৱালী এজনীয়ে দুকাপ কফি আনি দিলেহি—দুয়ো দুসোহা মাৰিলো। সন্ধিয়া নামি শ্বিলঙৰ পৰ্ব্বত বোৰ আৰ কৰি ধৰিলেহি।

সাপৰ মূৰৰ মাণিক

"মই এটা পৰীক্ষা কৰো—আপুনি কপালৰ বলত ধন সম্পত্তি পাবনে নেপায়। মই এটা নম্বৰ কাগজত লিখো আৰু আপুনিও এটা নম্বৰ ভাবক। যদি দুয়োটা মিলে জানিব আপোনাৰ কপাল ভাল।" এই বুলি কৈ দৰীয়া, গেৰুৱা বসন পিন্ধা, কান্ধত জোলোঙ্গা লোৱা, কপালত ফোট লৈ পণ্ডিতৰ বেশ ধৰা অতিথি জনে কাগজত পেন্সিল ডালেৰে নম্বৰ এটা লিখিলে আৰু বৰুৱা দেৱেও নম্বৰ এটা ঈশ্বৰক চিন্তি ভাবিলে। পাছত বৰুৱাই নম্বৰটো কলে আৰু অতিথিয়ে কাগজখন মেলি দেখুৱালে —দুয়োটা মিলিল ৫ নম্বৰ। বৰুৱাদেৱৰ হাতচোৱা মানুহজনৰ ওপৰত অতল বিশাস হল আৰু পুৰস্কাৰ দিলে। "আপুনি সপোনত দেখা কথাবোৰ প্ৰায়ে ফলিয়ায়—নহয়নে" সন্ন্যাসীয়ে সুধিলে। "হয় হয়—মোৰ পুৰতীয়া সপোনৰ ফল প্ৰায়ে হাতে হাতে মিলে" বৰুৱাই কলে।

"আপুনি তেনে সপোনৰ কথা মতে কাম কৰিব—মই এটা আপুৰুগীয়া বস্তু দিওঁ। মূল্য কিন্তু বহুত। ইয়াক হাতত ৰাখিলে আপুনি সুস্বপ্ন দেখিব আৰু তাৰ ফল পাবই।" সন্ন্যাসীয়ে কিবা গুটি দুটা বৰুৱাৰ হাতত দিলে। বৰুৱাই দহটকীয়া ন'ট এখন সন্ন্যাসীক দিলে। সন্ন্যাসীয়ে গোফৰ তলত হাহি এটা মাৰি ওলাই গল।

কিছু দিনৰ পাছৰ কথা।

"উঠাছোন উঠা—বেগাই উঠা উঠা উঠা উঠা"—মাজৰাতি বৰুৱাই শোৱনী কোঠাত চিঞৰ ধৰিলে। বৰুৱাণী লৰালৰিকৈ উঠি ভোৰ-ভোৰাবলৈ লাগিল।

"কিনো মিছাকৈ চিঞৰ বাখৰ খন লগাই থাকেহে। দিনৰ দিনটো টাকুৰী ঘূৰাদি ঘূৰি খন্তেক জিৰণি লব খুজিছো। লগালে আকৌ আপুনি টেটুফলা চিঞৰ খন।"

ঘৰৰ বন্দুৱা লৰাটোও উঠি আহি মাত লগালে "চোৰ অহা হেন পাও—কিনু হৈছি দক্।"

বৰুৱাই ধীৰে সুস্থিৰে কলে "তহত শুই থাকগৈ হক। ভগবানৰ অসীম অনুগ্ৰহ। মই কিছু দিনতে মাণিক এটা পাম। মোৰ ভাগ্য উদয় হৈছে। জয় মা কালী: হৰে কৃষ্ণ হৰে ৰাম। ৰঘুপতি ৰাঘৱ ৰজা ৰাম।"

দিন গৈ থাকিল। সেই ৰাতি অঘোন মাহৰ ফৰিং

ফুটা জোনাক বাতি। বাতি প্ৰায় দহোটামান বাজিছে। বকৰাই আকাশ পাতাল ভাবি বাহিৰৰ বাৰেন্দাত আৰামী চকা এখন পাৰি বহি আছে। ঘৰৰ অন্য মানুহ শুই নিহপালি দিলে। বকৰা হঠাৎ গহীন হৈ উঠিল। জাপ মাৰি এবাৰ চকীখনৰ পৰা উঠি পাইখানা ঘৰৰ ফালে অনিমেষ নেত্ৰে চালে।

"হয়—নিশ্চয় সাপৰ মূৰৰ মাণিক। সাপ আহি নিজে বাৰীত সোমাইছে। মোৰ সপোন ফলিয়ালে। সৌটো টহ টহ কৰে জিলিকিছে—বাঃ হয়—সাপৰ মূৰৰ মাণিক হয়।" বকৰাই ঘৰৰ মানুহ আটাইবোৰ মাতিলে। চকুমূৰ মোহাৰি সকলো উঠিল। বন্ধুৱা লৰাটোক গোবৰ এপাছি বিচাৰি আনিবলৈ কলে। বকৰাই এখন দা হাতত ললে। বকৰাণীক কলে বোলে "কাইলৈ যা জলপান খুৱাবৰ বাবে এখন মানুহৰ লিষ্ট তৈয়াৰ কৰা। মূৰত মাণিক লৈ সাপ সোমা বাড়ীৰ ভিতৰত চৰি আছে। জয় মা কালী। তোমাৰ অঙ্গহী বঙ্গহী চব মাতিবা। আজি ৰাতিয়ে টেক্সী এখন ধৰি তুমি ঘৰলৈ যাবা। অ' এটা কাম কৰাচোন সেই সন্যাসীজনৰ ঠিকনাটো আছেনে চোৱাছোন? তেওলৈ টকা কুড়িটা পঠাব লাগিব। সেই-বোৰ মনত নাইনে তেও কেনেকৈ ৫ নম্বৰটো কাগজত

লিখি প্ৰমাণ চালে'। এইবোৰ সাধক বুজিছা। কথা অকনো অথলে নেযায়। তেওক মাণিক পালে ২য় পুৰষ্কাৰ দিম বুলি কথা দিয়া আছে। বৰুৱাই কথা নেৰে।

অ' পুৰণা বেনাথন বেছি পোৱা টকা কেটা খৰছ কৰা নাইতো। এইবোৰ খৰছ তাৰ পৰা কৰিব লাগিব। ঘৰৰ পুৰণা সোণ ওলাই গলে এশ গুণ হৈ ভিতৰ সোমাইহি বোলে। এই মাণিকটোৰ দাম কম পক্ষে পাচ হেজাৰ টকা। জয় মা কালী।"

এনেতে গোবৰ এপাছি লৈ বহুৱা লৰাটো সোমাই আহিল। গোবৰ পাছি তাৰ মূৰত দি বৰুৱা পোহৰৰ পিনে আগ বাঢ়িল আৰু ঠিক পোহৰৰ ওপৰতে গোবৰ পাছি পেলোৱাই দি ওচৰতে দা খনেৰে তিনি কোব মাৰিলে। দুয়ো লৰ মাৰি গৈ আকৌ ভিতৰ সোমাল। বহুৱা লৰাক শুই থাকিবলৈ কলে।

বৰুৱা বৰুৱানী দুয়ো গল্পত বহিল। ৰাতি পুৱাই পুৱাই আহোতেই গোবৰৰ পৰা মাণিক আনিব। ইতিমধ্যে তালৈ যাব নেপায়। কোনোবাই হয়তো গম পাই মাণিক লৈয়ো যাব পাৰে—ৰখি থাকিব লাগিব। দুয়ো ওচৰাওচৰিকৈ দুখন চকীত বহি ললে।

"বুজিছা" বকৰাই কলে। "ধাৰ ঋণ নায়েই আগৰ পৰিবাৰ ছোৱালীজনী ভালতে পৰিল। এতিয়া আমি নিসন্তান। টকা পইছাৰ অভাবত দমি আছিলো। এতিয়া নিৰ্ভয়। মই বিয়া এখনকে কৰো। তুমি ইবোৰ সিবোৰ নেগাবা। মোৰ বয়স মাত্ৰ ৫৫– সিদিনা ৰামনাথে ৫০ বছৰত বিয়া কৰাইছে হে।"

বকৰাণীয়ে খঙৰ কোবত কিবাকিবি ভোৰভোৰাই ভিতৰলৈ গৈ শুলেগৈ। বকৰা তাতে ইশ্বৰক চিন্তি বহি থাকিল।

পুহৰি পুহৰি হওতেই বকৰা গৈ গোবৰ খোছৰাত লাগিল। মাণিক নাই–তাৰ ঠাইত পৰি আছে তিনি সিৰিয়া ভগা আইনা অকন। তাতে জোনৰ পোহৰ পৰি জলমলাই আছিল। ক'তা সাপৰ চিনচাবেই নাই। মূৰে কপালে হাত দি বকৰা তাতে বহি পৰিল।

কবিতা

আহিন মহীয়া ৰাতি ।

আহিন মহীয়া ৰাতি ।]
মোৰ গাওঁখন টোপনিত নিমগন ।
অ'ত ত'ত শিয়ালৰ ৰাও—"হুক্কা ক্যা হুৱা ?"
সিহঁতেও যেন হিন্দীতহে কথা পাতে !
আহিন মহীয়া ৰাতি ।
প্লেষ্টিকৰ পুতলাটি হেন নবজাত শিশুটিৰ কান্দোনত
মই সাৰ পাওঁ ।
মোৰ গাটো গৰমত ঘামি আছে ।
—আৰু মহবোৰে জাক পাতি কোণকোণাই
মোক আক্ৰমণ কৰে ।
উঃ কটা এই মহাৰাতি খনো সিহঁতৰ
শুংবোৰ ইমান চোকা ।
আৰু উৰহবোৰ, জাংফাই বৰণৰ ধুনীয়া গড়ৰ উৰহবোৰ-
সিহঁতে আনন্দতে কামুৰি কামুৰি
মোৰ নাগদেউনা উখহাই দিলে ।

পুতলাটিৰ কাষতে তাৰ মাক শুই আছে ;
মাতৃত্বৰ গৰবত অভিমানীনী ।
সিদিনা মাথোন—এবছৰ পুৰ নৌ হয়—
তাই মোৰ কাষলৈ আহিছিল
আঁচলত মাছ হালধিৰ গোন্ধ লৈ ন কইনা হৈ ।
তাইৰ মুখত লাজে-ৰঙা-কৰা বোল খিনি
কোনেও নেদেখিবলৈ ওৰণীৰে ঢাকি থৈছিল ।
তাইৰ চকুত লাজ, মুখত লাজ, হাঁহিত লাজ,
খোঁজত লাজ,
তাইৰ সৰ্ব্বাঙ্গ শৰীৰত লাজ ।
এই লাজবোৰ গলি গৈ ফ্ৰেমত চেঁচা হৈ
সেই প্লেষ্টিকৰ পুতলাটি হল ।
(বগৰী চনকা ডাল—
অ' ছোৱালী মোক নেহাঁহিবি তোৰ নৌ যায় কাল ।)
পুতলাটি কান্দে ভোকত ।
তাৰ কাৰণে মাকৰ বুকত গাখীৰ আছে সি খাব ।
কিন্তু মাকে কি খাই গাখীৰ দিব ?
ঈশ্বৰে কৰিলে অহা বছৰত
আৰু এটি শিশু এই দৰেই হব ।
তেতিয়া দুয়োটিয়ে ভোকত কান্দিব ।

খোৱাৰ সমলো বেছিকৈ লাগিব—
ইপিনে—
ভঁৰালত ধান নাই ।
আহুধান বানপানীয়ে নিলে।
শালী ধান পানীৰ অভাৱত গেৰেলী নেমেলিলে ।
আহিন মহীয়া ৰাতি শাওণৰ ৰাতিতকৈও ভীষণ ।
গৰম—বৰষুণ নাই—গৰম দিনে দিনে চৰিছে যায় ।
মই ভাবোঁ—কি কৰিম মই ভাবোঁ।
ভেকুলী বিয়াকে পাতোঁ।
এৰা, ভেকুলী বিয়াৰ নামবোৰ বৰ ভাল লাগে।
"কুণ কুণি যঁতৰে
ভেকুলীৰ বিয়ালৈ দৰা আহে মটৰে।"
দৰা হলেও সি টোৰটোৰাব।
টোৰটোৰালে মেঘে বৰষুণ দিব।
বৰষুণ দিলে ৰোৱাই গেৰেলী মেলিব।
কেঁচুৱাটি বুকত লৈ ন ছোৱালীয়ে তাকে দাব ।
দাই ছপাই ধান সকুৱাই উখুৱা কৰি
চাউল উলিয়াই মাকে খাব ।
তাৰ পৰা গাখীৰ হব—আৰু সেই গাখীৰ
কেঁচুৱাই খাব।

উঃ আহিন মহীয়া বাতি
গৰমত ইছাটি বিছাটি
ভাবনাত ইলুটি সিলুটি
বিছনাত ইকাটি সিকাটি
—আহিন মহীয়া বাতি!

———

উনৈশ শ সাতাম্নৰ চনৰ ৰ'মান্স

[জয়ন্তমাধৱৰ বৰ পুত্র মহন্তবান্ধবৰ মাকৰ ওচৰত কাকলি]

মা—দময়ন্তী কলৈ গল ?
মোৰ বহী-পত্রবোৰ থৈ দেগৈ
নে অ' এই জনী
এই ঘৰ-বন্দুৰা-ছোৱালীবোৰ
কোনো কামৰ নহয় ।
মই কলেজৰ পৰা আহি পাবৰ
সময়ত তাইৰ সদায়
মূৰ আচুৰিবৰ হয় ।

*　　*　　*

বুইছ মা—
আজি কলেজৰ পৰা আহোতে
বৰ ডাঙৰ কথা এটা হল ।

শুনছোন শুন—আঃ তয়ো মোৰ কথা
মুশুনা হলি
দেশ ৰসাতলে গল ।
মই আৰু কৰবাত মৰিমগৈছে
পানীয়ে তুনীয়ে পৰি ।
হৰি হৰি ।

*　*　*

আকৌ আনিলি ক'ক' ভিটা খন ;
মোৰ মুখত দিবৰে মন নেযায়—
—দে বাৰু গিলি থও ।
কিযানিবা অলপ শকত হও ।

*　*　*

শুন, মই কলেজৰ পৰা আহি আছো
কেনিও মূৰ ডাঙ্গিয়ে চোৱা নাই ।
আমাৰ ক্লাছৰ কন্তিমালা নামৰ
ছোৱালী জনিয়ে মোৰ
ওচৰতে তাইৰ ফাষ্ট
ক্লাছখন ৰাখি দিলেহি ।
মোৰ গাত কোনো দোষ নাই ।
মই লাজত ওপৰলৈ মু-কে কৰা নাই ।

হুৱাৰখন মেলি তাই মোক
ওচৰতে বহিবলৈ মাতিলে।
ভদ্ৰতা ৰাখি উঠি বহিলো
—গাড়ী এৰি দিলে।
তাই অলপ পাছতে মোৰ হাত
এখন তুলি ধৰি
আঙ্গুলী কেটা পিতিকি দিলে।
মোৰ আঙ্গুলী কেটা বৰ ভাল
হেনো পাই।
(হাতৰে আঙ্গুলী লিহিঁৰি পতীয়া
ভৰিৰে আঙ্গুলী ঘন)।
এখন হাতেৰেই তাই ধুনীয়াকৈ
গাড়ী চলালে।
মোক সৌ আলিৰ কাষতে নমাই থলে।
গধূলিকৈ আকৌ চিনেমালৈ লগ ধৰিছে।
ইমান কাকুতি কৰিছে।
কিবা বোলে "অল ওৱৰ্ল্ড ওৱান"।
নামৰ ফিল্ম এখন আহিছে—যামনে মা ?
তাই আমাৰ কাৰণে 'বক্স' এটা ৰিজাৰ্ভ কৰিছে-
নগলে বেয়া পাম বুলিছে।

*　　　*　　　*

যাবলৈ নিদিয় ?
মই তেনে আজি ৰাতি একো নেখাও ।
ভদ্ৰ ছোৱালী এজনীৰ লগত ভদ্ৰতা
　　　　ৰাখিব নোৱাৰা বাবে
　　　　আৰু কলেজলৈও নেযাও ।

*　　　*　　　*

যাম ?
আহাহা—আমাৰ মা খুব ভাল ।
মই ওলাওগৈ—তাই বেগতে
　　　　আহি যাব পাৰে ।
দময়ন্তী মোৰ মুগাৰ পাইজামাটো আন
আজি কালি পলাশবৰীয়া মুগাৰ পাইজামা
বৰ ষ্টাইলিছ্ ।

বুকৰ ঢৌ মোৰ

গাভৰু—তোৰ বুকৰ ঢৌবোৰ মই দেখো
তোৰ বুকৰ পোৰনি মই বুজো
তোৰ অন্তৰৰ সাত সাগৰৰ খলকণি মই শুনো
তোৰ হিয়াৰ মৰ্ম্মভেদী করুনতাৰ স্পন্দন
মই অনুভৱ কৰো।
তোৰ আলৈ আহুকাল খিনিৰ বাবে
তোলৈ মোৰ পুতৌ জন্মে।
তোৰ এখনি ধুনীয়া পুৰথ তেজগোৰা মুখ
—বিধতাই দিয়া।
তাত ভ্ৰু-ভাৱন্তৰ লাজ ।
তাতে আকৌ সহস্ৰ চকুৰ দৃষ্টি।
তোৰ অন্তৰত বৰদৈচিলাৰ সৃষ্টি কৰি
অনাহুত ভাবে আচম্বিতে অনুগ্ৰহ যছা
সহস্ৰজনৰ শত অনুৰোধ
তোৰ বাবে অসহ্য—মই জানো।
সাতখিলা পাতৰ মাজেদিয়েই
পদুম বনত পদুম কলিকেইটিয়ে মূৰ উলিয়াই
মিচিকি মিচিকি হহাৰ দৰে

সাত তঁৰপা কাপোৰৰ মাজত সুমুৱাই থওঁতেও
তাৰ ফাকে দিয়ে মূৰ জিলিকাই তোৰ বুকৰ পদুম কলি দুটিয়েই
যদি তোৰ প্ৰাণৰ গুপুত কথাবোৰ লোকক কৈ ফুৰে
তইনো বাৰু ক'ত মৰিবিগৈ গাভৰু ।
(জালিকটা ৰিহা টানি ঢাকিলে কি হব সখি –)
তোৰ খোজত নীতম্ব লৰে
—তইনো বাৰু কেনেকৈ বন্ধ কৰিবি ?
এই নীতম্বনৃত্যত বহুতৰ বুকত কবিতা জাগে।
(তোৰ খোজত নীতম্ব লৰে সিও যাছে মধু)
সেই কবিতাকে উপহাৰ দি
আকৌ তোকে আদৰিব খোজে।
তই বাৰু কেনেকৈ সহ্য কৰ - গাভৰু ?
তোৰ মৌ-মিঠা হাহিটোৰ ফাকে দি ওলোৱা
দাত কেইটিৰ বিজুলী চমকনিত বহুতৰ চকু
স্তব্ধ হৈ যায়।
তাৰ বাবে দায়ী জানো তই ?
হাহিটোযে তোৰ চিৰ লগৰীয়া।
সৃষ্টিকৰৰ বৰত তোৰ অন্তৰত সৃষ্টিৰ হেপাহ ;
—এই হেপাহে কোনোবা বিজানৰ কোনোবা নিজানত
কোনোবা অজ্ঞানৰ পৰশ বিচাৰে ।

তোৰ গাত কোনো দোষ নাই।
এই পৰশৰ মধুৰ স্বপ্নই তোক আপোনা-পাহৰা কৰে
—কিন্তু দুৰ্ব্বাসাই শকুন্তলাক এনে অৱস্থাতে শাপ দিয়ে।
কি দুৰ্ব্বোধ্য এই সাথৰ !
উঃ গাভৰু—সচাকৈয়ে—
তোৰ দুখত মই দুখী ;
তোৰ অন্তৰৰ কপণিত মোৰ বুকুখনি কপে ;
তোৰ বুকৰ পোৰণি মই বুজো।
তোৰ বুকৰ ঢৌবোৰ মই দেখো।

খোৱা-খোৱাৰ ৰাতি

এৰা, হয়—আজি তুমি আৰু মই অকলশৰে,
একেটি কোঠাতে।
যোৱা ৰাতিৰ আগ ৰাতিৰ পৰা
তোমাৰে মোৰে একেলগে থকা স্বত্ব হৈছে ।
কালি ৰাতি খুব শুলো,
আজি আৰু নোশোও—কথা পাতি থাকো।
কথা হলে বহুত আছে দেই।

* * *

প্ৰথম ঃ

মোৰ কথা শুনিছাই, ঘৰ গাৱঁত ।
তাত মোৰ আই আৰু ভাই এটা থাকে ।
দুয়ো গোটখাই দুপুৰা মাটিত খেতি কৰে,
- বেছ আতি যায়।
ময়ো মাহে এঘাৰ টকাকৈ পঠাই থাকো।
(দেহটকা কম হয় বুলি এঘাৰ টকা পঠাও।
মনিঅৰ্ডাৰ কমিচনটো অৱশ্যে এই এটকাৰ
পৰাই কাটি লও।)

দ্বিতীয় ঃ

মোৰ চাৰ্ত্তিফিকেটৰ ফাইলবোৰ হেৰাল ;
—হেৰাল নহয় এদিন পুৰি পেলালো।
এলাহাবাদত পঢ়িছিলো ঃ বি-এ পাছ কৰিলো বুলি
ময়ে কাগজলৈ খবৰ এটা দিলো।
পৰীক্ষা হলে দিয়াই নাই দেই—
তোমাৰ আগত লুকুওৱা অনুচিত।
তাৰ ওপৰতে ভিত্তি কৰি
এইডেড স্কুলত মাষ্টৰীটো পালো।
ভাল কাম—দৰ্মহা মাহে সত্তৰ টকা।
ফাইলত অৱশ্যে মেট্ৰিক আৰু আই-এৰ
চাৰ্ত্তিফিকেট দুখন আছিল।

তৃতীয় ঃ

টকা কিছু গোটাইছিলো—ছশ মান হব।
গুৱাহাটি বেংকত গল।
অলপতে তাৰে এভাগ পাই
এই বিয়াখন পাতিলো।
বিয়া ভালেই হল—বাছতহে বাৰ টকা বাকী আছে।
(হেৰ কোন ? চোৰণে কি ? অ' তহত দেখোন।

বেৰৰ কাষত কি কৰিছহি ?
আৰে, লৰাবোৰ বৰ দুষ্ট হ'ল দেখিছো।
সিহতে আমাৰ কথা শুনি আছেহি ।
নাগলিনে ?)
অ' বিয়াৰ ৰভাৰ তামোলৰ খুটা কেটা আনি থব লাগে
—খড়ি হব ।
বিয়াৰ ৰভাৰ খুটাৰ খড়ি খাব নেপাইনে কি ?
এইবোৰ কথা তোমালোকেহে জানা ।

* * *

এ, তুমি দেখোন খিড়িকি খনে
তন্ময় হৈ বাহিৰলৈ চাই আছা ?
ঠিক কলেজৰ লৰাই চিনেমাৰ ছবি চোৱাদি !
কি ওলাইছেনো তোমাৰ মন চিনেমাৰ
ৰূপালী পৰ্দ্দাত ?
কি কলা "বিয়া কৰাম বুলি চাবলৈ অহা
কিন্তু বিয়াৰ সময়ত পাছ হুহকি যোৱা
প্ৰায় তিনি ডজন ডেকাৰ মুখ ?
সিহত ঠগ—হব নোৱাৰিছে ই-এ চি
হব নোৱাৰিছে ডি, এস, পি
হব নোৱাৰিছে বাগানৰ মালিক ।

মোক চোৱা—
এবাৰ চালো
বিয়া কৰিম বুলি কথা দিলো
আৰু পট কৰে বিয়া হৈ গল ।
তোমাৰ দৰে কলেজীয়া ছোৱালী এজনীৰ মোল সিহতে
কি বুজিব ।
অ, কি ? “মই ৫৭ ছালৰ নেজাল তৰা ?”
তোমাৰ মন আকাশত মোক নেজাল তৰা পাতিছা ?
বছৰি একোটাকৈ সন্তানৰ কল্পনাত
এই নবজাত শিশুহতৰ সতে
তুমি মোক ৫৭ ছালৰ নেজাল তৰা বুলিছা ?
মাই গুদ্ গদ ।

আবিষ্কাৰ

গোটেই দেহত ৰাতিৰ তৃপ্তিৰ বেলি সানি
আয়মত শুই থকা স্বামীৰ কাষত
বেলিটিয়ে বেৰৰ জলঙ্গাই জুমি চাই
তাইক দেখিবলৈ সুবিধা নিদি
জেতুকী ওপজি পুৰাতে উঠি গল।
আগদিনা যতাই থোৱা পানী লোটা
—আৰু এঙ্গাৰ এটা—
হাতত লৈ তাই বাহিৰত দাত ঘহি
মুখখনে চকুকেটাই ধুলে।
ৰাতি সিহতকে চুৰকৈ চাবলৈ অহা বতাহ ছাটিৰ
নিৰ্ম্মম পৰশ সহিব নোৱাৰি সৰি পৰা
শুকান পাতবোৰ একাষৰীয়া কৰি
জেতুকীয়ে তামোলৰ পাতৰ সোতাটোৰে
চোতালখন ধুনীয়াকৈ সাৰিলে।
পছুলিমুখৰ চেণীচম্পা জোপাই একোছ
গোন্ধ নি তাইৰ নাক-মুখ ওপছাই দিলে

তাই খন্তেকৰ কাৰণে কিবা ভাবত বিভোৰ হৈ
নঙ্গলা ডালতে পুৰথ হাতখন আৰি দি খন্তেক ৰল।
বলীয়া পছোৱা ছাটিয়ে এই সুযোগতে
তাইৰ ৰিহাৰ আচল খন উৰুৱাই নিলে!
চোলাৰ সাফৰ নথকা··
তাইৰ ভাবী সন্তানাটিৰ কাৰণে সুধা ভৰাই লৈ
লাজত ৰিহাৰ আৰতে বৈ থকা
পদুমৰ পাহীত ভোমোৰা পৰিলে দেখাৰ দৰে হোৱা
পাহী দুটিয়ে এই চলতে
বাহিৰৰ বতাহ অকনি পাই মিচিকি হাহিলে।
ওপৰৰ পৰা জুমি চাই থকা বকুল কেপাহীমানে
লাজত বব নোৱাৰি
সৰি পৰি দুবৰীবনত মুখ লুকুৱালে।
এই শুভক্ষণতে জেতুকীয়ে এটি আবিষ্কাৰ কৰিলে—
তাই আবিষ্কাৰ কৰিলে বকুল জুপিৰ
শকত গুৰিটোৰ আৰত ডাঙৰ হোৱা
কোটাহীন বেঙ্গেণাৰ আফুলন গছ জোপা।
লহ-পহকৈ বাঢ়ি অহা, যৌবন গৰ্ব্বেগৰ্ব্বা,
ভাবী মাতৃত্বৰ অভিমানত অভিমাণীনী
গছ জোপাই বতাহত হালি জালি

গোটেই শৰীৰটি যেন তাইক উদঙাই দেখুৱালে।
ছুয়ো ভাৰী মাতৃ ।
জেতুকীয়ে হাহি এটি মাৰি ভিতৰলৈ গল
আৰু লোটাটোৰ বাকী থকা পানীখিনি আনি
বেঙেনা জোপাৰ গুৰিত ঢালি দিলে ।

THE NABIN ... HALL & LIBRARY
13 JUL 1959
GAUHATI

আকাশী লতা

বিহগুটি তিতা—মানুহ মৰা
মদাৰ ফুল ৰঙা—শুক ভকতত নলগা
আৰু আকাশী লতা
—আকাশী লতা সোণ বৰণীয়া ;
চিৰিয়াখানাত থকা আফ্ৰিকাৰ বনৰীয়া সাপটিৰ দৰে
লিকলিকিয়া চিকচিকিয়া—মনমোহা ।
গাভৰুৰ কলদিলীয়া খোপাটিত
ৰঙা বগা পখৰা ফুলৰ
মালা গুঠি থোৱা কপৌফুলৰ থাৰিটিৰ দৰে
আকাশী লতাই
জবা ফুল জুপিৰ কোমল পাতৰ ওপৰত
অলস ভাবে চকু মুদি পৰি ৰয় ।
গছজুপিৰ কুঁহি পাতকেইটিয়ে মৰমতে চুমা খাই
আকাশী লতাক সাৱটি ধৰে ।

আগতে প্ৰেমৰ সফুৰা লোকক উবুৰিয়াই দি
পাছত বিবাহিত স্বামীক মৰম দেখুৱাই
ডিঙ্গিত সাবটি ধৰা হাত খনিৰ পৰশৰ দৰে
আকাশী লতাৰ পৰশখিনি গছজুপিয়ে
মধুৰতকৈও মধুৰ যেন পায়।
কিয়নো নেপাব—
ইমান ধুনীয়া তাৰ দেহা
ইমান কোমল ইমান মৰমী ইমান দৰদী তাৰ অন্তৰ!
দুদিন গলে?
এৰা দুদিনৰ পাছত—
আকাশী লতাই জবাফুল জুপি ছাটি ধৰে।
বিবাহিতা স্ত্ৰীৰ দুঃচৰিত্ৰৰ কথাৰ সন্দেহত
ক্ষিণাই শুকাই যোৱা স্বামীৰ দৰে
উসাহ নিসাহ নেপাই
ফুল জুপি মৰহি যায়।
আকাশী লতাই আনন্দত হালিজালি নাচে।

THE NABIN BARDOLAI HALL & LIBRARY
18 JUL 1959
GAUHATI